**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-2-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসমৰ ঔদ্যোগিক আৰু আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে ৰাজ্যখনলৈ বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত আয়োজিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এই সন্মিলনত কমেও ১২ খন ৰাষ্ট্ৰই অংশ লোৱাৰ কথা। সন্মিলনত অংশ লোৱাৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া সৰ্ববৃহৎ ঝুমুৰ নৃত্যৰ অনুষ্ঠানটো প্ৰধানমন্ত্ৰীয়ে অংশ ল'ব বুলি জ্যেষ্ঠ মন্ত্ৰী বিমল বৰাই কালি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ২৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্ৰীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

oooooo

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ত আজি গুণোৎসৱৰ তৃতীয় পৰ্যায় আৰম্ভ হৈছে। ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাচাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। কোকৰাঝাৰ আৰু ওদালগুৰি জিলাৰ পূৰ্বে ৰৈ যোৱা একাংশ বিদ্যালয়তো গুণোৎসৱ সম্পন্ন হ'ব। আজি স্ব-মূল্যায়ন আৰু কাইলৈৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

oooooo

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি সামৰণি পৰিব। আজি অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলনেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পাছতে আকাশ শীৰ্ষক মহিলাসকলৰ প্ৰতিভা বিকাশৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আবেলিৰ ভাগত নাট্য সন্মিলন আৰু অসম সাহিত্য সভাৰ বিভিন্ন বঁটা প্ৰদান অনুষ্ঠানৰ লগতে আজীৱন সভ্য সন্মিলনৰো আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে ৫৪ জন সাংবাদিকক নিষ্ঠাৱান সাংবাদিক বঁটা প্ৰদান কৰা হ'ব। সন্ধিয়াৰ ভাগত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

oooooo

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা তথা ইয়াৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত বিশ্ব কৰ্কট ৰোগ দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল মন্ত্ৰ হৈছে- United by Unique। এই দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন

চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা উৎকৃষ্ট চিকিৎসা সেৱাৰ বিষয়ে উল্লেখ কৰিছে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কাইলৈৰ পৰা চৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ লেখক-সাহিত্যিকে এই মহোৎসৱত অংশ ল'ব। ইটালী, ইংলেণ্ড, পৰ্টুগাল, ইউক্ৰেইন, স্পেইনকে ধৰি বিভিন্ন দেশৰ লেখক-সাহিত্যিকৰ লগতে ভাৰতৰ ভালেসংখ্যক খ্যাতনামা সাহিত্যিকে অনুষ্ঠানত ভাগ ল'ব। অনুৰাধা শৰ্মা পূজাৰী, অৰুপা পটংগীয়া কলিতা, বিপুল দেউৰী, কৰবী ডেকা হাজৰিকাৰ উপৰি নতুন প্ৰজন্মৰ কেইবাগৰাকীও লেখকে এই অনুষ্ঠানত অংশ ল'ব।

০০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্য বাহিনীয়ে কোকৰাঝাৰ জিলাত অভিযান চলাই এজন জেহাদীক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে। বিশেষ কাৰ্য বাহিনীয়ে কোকৰাঝাৰ আৰক্ষীৰ সহযোগত অভিযান চলাই নাছিম উদ্দিন এছ কে নামৰ জেহাদীক গ্ৰেপ্তাৰ কৰে। ধৃত নাছিম উদ্দিন জেহাদী সংগঠন আনছাৰুল্লা বাংলা আৰু জামাত উল মুজাহিদিনৰ সক্ৰিয় সদস্য বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

নগাঁও জিলাৰ ছাপানালাৰ ছম্পাৱতী জলপ্ৰপাতৰ ওচৰত কাইলৈৰ পৰা দুদিনীয়াকৈ মহা কুণ্ড মেলাৰ আয়োজন কৰা হৈছে। মেলা উদযাপন সমিতিয়ে প্ৰকাশ কৰা মতে এই মেলাত অংশ ল'বলগীয়া লোকসকলৰ সুবিধাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নগাঁও জিলাৰ পুৰণি গুডামৰ গড়মূৰ তিনিআলিৰ পৰা ১৫ কিলোমিটাৰ পূব দিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ছাপানালা অঞ্চললৈ অগণন লোকৰ সমাগম হয়। নগাঁও কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী চোৰাং বনাঞ্চলৰ লেমলেবি নামৰ পাহাৰখনৰ বুকুৰে নামি অহা চম্পাৱতী জলপ্ৰপাতত মাঘ মাহৰ শুক্লা সপ্তমি তিথিত স্নান কৰিলে পূণ্য অৰ্জন হয় বুলি ধৰ্মীয় বিশ্বাস প্ৰচলিত আছে।

০০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি পদক নিশ্চিত কৰাৰ লক্ষ্যৰে অলিম্পিক পদক জয়ী মহিলা বক্সাৰ লাভলীনা বৰগোহাইয়ে ৭৫ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলিব। নৱাগত বক্সাৰ অভিনৱ শইকীয়াইয়ো আজি পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাত কোৱাৰ্টাৰ ফাইনেল খেলিব।

০০০০০০

***সমাপ্ত***